# REGIONAL NEWS UNIT

AKASHVANI, GUWAHATI

0000000000

**Date :** 30-09-2024
**Time :** 21-25 Hrs

# Assamese Night Bulletin

:::::::::::::::::::::::::::::::::

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান দেশ-বিদেশৰ পৰ্যটকৰ বাবে কাইলৈ মুকলি কৰা হ'ব। ইয়াৰ বাবে ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই সকলো প্ৰস্তুতি সম্পূৰ্ণ কৰি তুলিছে। প্ৰথম অৱস্থাত পৰ্যটকসকলৰ বাবে কেৱল জীপ ছাফাৰীৰ ব্যৱস্থা থাকিব। অহা ১ নৱেম্বৰৰ পৰা পৰ্যটকসকলে হাতী ছাফাৰীৰ সুবিধা লাভ কৰিব। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ইতিমধ্যে ৰাষ্ট্ৰীয় উদ্যানৰ ভিতৰ ভাগৰ বাট-পথসমূহ মেৰামতি কৰাৰ লগতে জীপ চালক সকলকো প্ৰশিক্ষণ প্ৰদান কৰিছে। ইতিমধ্যে কেইবালানিও প্ৰশিক্ষণ কাৰ্যসূচী সমাপ্ত হৈছে। কাইলৈ উদ্যোনখনৰ কাজিৰঙা বনাঞ্চল, বাগৰি বনাঞ্চল আৰু বুঢ়া পাহাৰ বনাঞ্চলৰ কিছু অংশহে পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বাট-পথৰ মেৰামতি তথা আন আভ্যন্তৰীণ কামসমূহ সম্পূৰ্ণ হোৱাৰ পাছতে হাতী ছাফাৰীৰ লগতে পৰ্যটকৰ বাবে অনুমোদিত সকলো অঞ্চল পৰ্যটকে ভ্ৰমণ কৰিব পাৰিব। ৰাষ্ট্ৰীয় উদ্যানখনক কেন্দ্ৰ কৰি হস্তশিল্পৰ পৰ্যটন উদ্যোগো গঢ় লৈ উঠিছে। হস্তনিৰ্মিত কাজিৰঙাৰ জীৱকূলৰ প্ৰতিকৃতি ক্ৰয় কৰিবলৈ বহু লোকৰ সমাগম হয়। উল্লেখযোগ্য যে যোৱা বছৰৰ ৩১ মে'ত ৰাষ্ট্ৰীয় উদ্যানখনত পৰ্যটন বৰ্ষৰ সামৰণি পৰাৰ পাছত কাইলৈ বন মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে উদ্যানখন মুকলি কৰিব।

ইফালে কাইলৈ ওৰাং ৰাষ্ট্ৰীয় উদ্যান তথা ব্যাঘ্ৰ প্ৰকল্প পৰ্যটকৰ বাবে মুকলি কৰা হ'ব। ব্ৰহ্মপুত্ৰ উত্তৰ পাৰৰ এটা খৰ্গযুক্ত গঁড়ৰ বিচৰণথলী আৰু মাটিকালিৰ ক্ষেত্ৰত এছিয়াৰ ভিতৰতে বাঘৰ ঘন বসতি থকা এই উদ্যানখন মুকলি কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন হৈছে। উদ্যানখনৰ পথসমূহ মেৰামতি কৰি জীপ ছাফাৰীৰ বাবে উপযোগী কৰি তোলা হৈছে। এইবাৰ পৰ্যটকসকলৰ সুবিধাৰ্থে বন বিভাগে নিজাকৈ ছটা কোঠাৰ ইকো কেম্প মুকলি কৰিছে। এইবেলি উদ্যানখনত পৰ্যটকৰ সমাগম বৃদ্ধি পাব বুলি আশা কৰা হৈছে।

০০০

স্বচ্ছতাই সেৱা কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি আজি ওদালগুৰি জিলাৰ চিকিৎসালয়সমূহত ছাফাই কৰ্মীসকলৰ বাবে বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ অনুষ্ঠিত হয়। গান্ধী জয়ন্তীৰ প্ৰাক্কক্ষণত প্ৰতিবছৰে এনে শিবিৰৰ আয়োজন কৰা হয়। আজি ওদালগুৰি অসামৰিক চিকিৎসালয়, মহলীয়াপাৰা আদৰ্শ চিকিৎসালয়, ওৰাং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰকে ধৰি কেইবাটাও স্থানত এই শিবিৰ মুকলি কৰা হয়।

ধুবুৰী জিলাৰ চাপৰ সামুহিক স্বাস্থ্যকেন্দ্ৰ আৰু চাপৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ চৌহদত আজি পুৱাৰ ভাগত আয়ুষ্মান আৰোগ্য শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত ৪ শতাধিক লোকক স্বাস্থ্য পৰীক্ষা কৰি বিনামুলীয়াকৈ ঔষধ প্ৰদান কৰা হয়। এই শিবিৰত কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকে অংশগ্ৰহণ কৰে।

গোলাঘাট জিলাত কাইলৈ জ্যেষ্ঠ নাগৰিকসকলৰ বাবে বিশেষ স্বাস্থ্য পৰীক্ষা শিবিৰ মুকলি কৰা হব। শ্বহিদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ চৌহদত মুকলি কৰিবলগীয়া এই শিবিৰ ৩ অক্টোবৰ পৰ্যন্ত খোলা থাকিব। পুৱা ৯ বজাৰ পৰা দিনৰ এক বজালৈ এই শিবিৰত জ্যেষ্ঠ নাগৰিকসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হ'ব। তদুপৰি আন্তৰাষ্ট্ৰীয় জ্যেষ্ঠ নাগৰিক দিৱসৰ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি কাইলৈ বোকাখাটৰ শ্বহিদ কমলামিৰি অসামৰিক চিকিৎসালয় আৰু পৰহিলৈ সৰুপথাৰ সামুহিক স্বাস্থ্যকেন্দ্ৰতো পৰীক্ষা শিবিৰ মুকলি কৰা হব। ইপিনে, যোৰহাট জিলাৰ চিপাহীখোলা

উন্নয়ন খণ্ডত কাকজান প্ৰাথমিক চিকিৎসাকেন্দ্ৰৰ উদ্যোগত ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ অনুষ্ঠিত হয়। এই শিবিৰত ছাফাই মিত্ৰসকলৰ স্বাস্থ্য পৰীক্ষা কৰি বিনামুলীয়াকৈ ঔষধ বিতৰণ কৰা হয়।

০০০

চৰাইদেউ জিলা স্বাস্থ্য সমিতি আৰু জিলাখনৰ ১০ খন চাহ বাগিছাৰ মাজত ৰাজহুৱা ব্যক্তিগত অংশীদাৰিত্বৰ অধীনত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাবে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিশেষ স্বাস্থ্য সেৱা কাৰ্যসূচীৰ এখন বুজাবুজিৰ চুক্তি আজি স্বাক্ষৰিত হয়। এই চুক্তি অনুসৰি উল্লেখিত প্ৰতিখন চাহ বাগিছাৰ জনসাধাৰণে স্বাস্থ্য সেৱাৰ সা-সুবিধাসমূহ লাভ কৰিব। ইয়াৰ বাবে ১০ লাখ টকাকৈ পুঁজি যোগান দিয়া হ'ব। চৰাইদেউ জিলা যুটীয়া স্বাস্থ্য সেৱা সঞ্চালকে এই বিষয়ে প্ৰকাশ কৰি কয় যে এতিয়ালৈ ৮০ শতাংশ পুঁজি মোকলাই দিয়া হৈছে।

০০০

বিধায়ক প্ৰশান্ত ফুকনৰ নেতৃত্বত অসম বিধানসভাৰ প্ৰাককলন সমিতিয়ে আজি মৰিগাওঁ জিলাৰ বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে। দলটোৱে সমগ্ৰ জিলাখনত ৰূপায়িত বিভিন্ন  উন্নয়নমূলক প্ৰকল্প আৰু আঁচনিসমূহৰ অগ্ৰগতি পৰিদৰ্শন তথা পৰ্যালোচনা কৰে। সমিতিয়ে অঞ্চলটোৰ পথ সংযোগ আৰু পৰিবহন ব্যৱস্থা উন্নীত কৰাৰ লক্ষ্যৰে অসম মালাৰ অধীনৰ নিৰ্মীয়মান পথ প্ৰকল্পসমূহৰ বুজ লয়। তেওঁলোকে নিৰ্মাণস্থলী পৰিদৰ্শন কৰি কামৰ মান আৰু অগ্ৰগতি পৰ্যালোচনা কৰে। তেওঁলোকে এৰাগাওঁৰ অঙ্গনবাড়ী কেন্দ্ৰত উপস্থিত হৈ শিশুৰ পুষ্টি, স্বাস্থ্যসেৱা আৰু প্ৰাথমিক শিশু শিক্ষাৰ সৈতে জড়িত সেৱা সমূহকে ধৰি কেন্দ্ৰটোৰ সমূহ কাৰ্যকলাপ মূল্যায়ন কৰে। ইয়াৰ পাছত সমিতিৰ সদস্যসকলে জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনৰ আয়ুক্ত তথা অন্য শীৰ্ষ বিষয়াৰ সৈতে এখন বৈঠকত মিলিত হয়।

০০০

শিশু সুৰক্ষাৰ সৈতে জড়িত কাম-কাজসমূহ সন্দৰ্ভত প্ৰশিক্ষণ প্ৰদানৰ বাবে আজি কোকৰাঝাৰ জিলাত হাতীধৰা উন্নয়ন খণ্ডত এটা প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত শিশু সুৰক্ষা বিষয়াসকলৰ দক্ষতা বিকাশ আৰু জ্ঞান বৰ্ধনৰ প্ৰয়াস কৰা হয়। জিলা শিশু সুৰক্ষা গোটৰ এটা দলে কোকৰাঝাৰ শিশু হেল্পলাইন গোটৰ সৈতে এই কাৰ্যসূচীত অংশ লয়।

০০০

যোৰহাটৰ বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানত আজি ২৬ সংখ্যক গৱেষণা পৰামৰ্শ গোটৰ এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। প্ৰতিষ্ঠানখনৰ গৱেষণা সমন্বয়ক ড০ ৰাজীৱ কুমাৰ বৰাই প্ৰতিষ্ঠানৰ গৱেশণা তথা সম্প্ৰসাৰণ কাৰ্যসমূহৰ বিষয়ে সকলোকে অৱগত কৰে। সভাত ১১ খন গৱেষণা প্ৰকল্প প্ৰতিষ্ঠানৰ বিভিন্ন বিজ্ঞানীয়ে অংশগ্ৰহণ কৰি প্ৰকল্পসমূহৰ ওপৰত বিযদভাৱে আলোচনা কৰে। এই প্ৰকল্পৰ ভিতৰত বাচনিপ্ৰাপ্ত প্ৰকল্প পৰৱৰ্তী পৰ্যায়ত ডেৰাডুনত হ'বলগীয়া মূল বাচনি সমিতিলৈ প্ৰেৰণ কৰা হ'ব। এই সভাতে প্ৰতিষ্ঠানত চলি থকা বিভিন্ন গৱেষণা প্ৰকল্পসমূহৰো পৰ্যালোচনা কৰা হ'ব।

০০০

তামুলপুৰ জিলাৰ নাগ্ৰীজুলি আৰক্ষী চকীৰ অধীনৰ ইক্ৰাবিলত আজি সন্ধিয়া বনৰীয়া হাতীৰ আক্ৰমণত এহাল স্বামী-স্ত্ৰী নিহত হয়। আমাৰ সংবাদাতাই জনোৱা মতে, সন্ধিয়াৰ ভাগত নিজৰ তামোল বাগানত কাম কৰি থকাৰ সময়তে বনৰীয়া হাতীটোৱে আক্ৰমণ কৰাত দুয়োগৰাকীৰ মৃত্যু হয়। ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগে নাগ্ৰীজুলি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ঘটনাস্থলীত উপস্থিত হৈ মৃতদেহ উদ্ধাৰ কৰি তামুলপুৰ থানালৈ লৈ অনাৰ পাছত মৰনোত্তৰ পৰীক্ষাৰ বাবে লৈ যায়।

০০০

ঃঃ সমাপ্ত ঃঃ